
দৈনিক
গণ অধিকাৰ
মুক্ত সমাজৰ মুক্ত কণ্ঠ
... VOL XXX NO 214, WEDNESDAY, 13 MARCH, 2024 ...

# নৱজ্যোতি মহাবিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন




গণ বাৰ্তা, কলগাছিয়া, ১২ মাৰ্চ ঃ কলগাছিয়াস্থিত নৱজ্যোতি মহাবিদ্যালয়ৰ ৰমেন চেল আৰু ৰমেন ফ'ৰামৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত সভাপতিৰ আসনৰ পৰা আদৰণি ভাষণ আগবঢ়োৱা হয়। আদৰণি ভাষণত অধ্যক্ষই কয় যে নাৰী আৰু পুৰুষ সুকীয়া সত্তা হ'লেও এক মানৱ সত্তা। সমাজৰ অগ্ৰগতিত এই মানৱ সত্তাৰ অংশ নাৰীৰ এক বিশেষ আৰু সক্ৰিয় ভূমিকাৰ কথা উল্লেখ কৰে। সভাত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা নয়নমণি দেৱীয়ে উদ্দেশ্য ব্যাখ্যা কৰে। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা মেঘালী মৰাং আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক আবু চায়েদ বফিয়ে আঁত ধৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ফখৰুল আলম, অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ড° কাকলি হাজৰিকা আৰু কাৰ্যালয় সহায়ক পংকজ কুণ্ডু। ড° ফখৰুল আলমে ভাৰতীয় নাৰীৰ সাংবিধানিক অধিকাৰ সম্পৰ্কে, ড° কাকলি হাজৰিকাই নাৰী দিৱসৰ ইতিহাস, নাৰীৰ ব্যক্তিগত জীৱন, সামাজিক স্থানত গুৰুত্ব আৰু সম অধিকাৰ সম্পৰ্কে আৰু পংকজ কুণ্ডুৱে নাৰীৰ শিক্ষাৰ বিনিয়োগ, আৰ্থিক বিনিয়োগৰ প্ৰয়োজনীয়তা আৰু নাৰীৰ আৰ্থিক স্বাধীনতা সম্পৰ্কে আলোচনা কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ৰমেন ফ'ৰামৰ উদ্যোগত মেৰিনা আহমেদ আৰু পাঞ্চালী বৈশ্যৰ সম্পাদনাত প্ৰকাশিত গ্ৰন্থ 'ইনাৰ ভইচ' উন্মোচন কৰা হয়। উন্মোচনী ভাষণত অধ্যক্ষই নাৰী পুৰুষৰ বৈষম্য ৰোধ কৰাৰ বাবে সকলোকে আহ্বান জনোৱাৰ লগতে নাৰীৰ সম অধিকাৰ, নাৰীবাদ সম্পৰ্কে গৱেষণাৰ থল আছে বুলি উল্লেখ কৰে। মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° মালবিকা বাগলাৰীয়ে।